Dailyassam.com

গোট-১
অধ্যায়-২

# জনপ্ৰব্ৰজন
# প্ৰকাৰ, কাৰণ আৰু পৰিণতি
# (Types, causes and consequences)

ছত্ৰীশগড়ৰ ভিলাই তীখা কাৰখানাত কৰ্মৰত অভিযন্তা ৰামবাবুৰ জন্ম হৈছিল বিহাৰৰ ভোজপুৰ জিলাৰ এখন ক্ষুদ্ৰকায় গাঁৱত। বাৰ বছৰ বয়সত মাধ্যমিক পৰ্যায়ৰ অধ্যয়নৰ বাবে তেওঁ ওচৰৰে আৰা (Ara) নামৰ সৰু চহৰখনলৈ গৈছিল। তেওঁ পৰৱৰ্তী সময়ত ৰাৰখণ্ডৰ সিন্দ্ৰিত কাৰিকৰী স্নাতক উপাধি লাভ কৰে আৰু ভিলাইত অভিযন্তা হিচাপে কাম কৰি বিগত ৩১ বছৰে কৰ্মৰ যোগেদি সেৱা আগবঢ়াই আহিছে। ৰামবাবুৰ পিতৃ-মাতৃ নিৰক্ষৰ আছিল আৰু কৃষিকৰ্মৰ যোগেদি গাঁৱতেই সাধাৰণ জীৱন যাপন কৰিছিল।

ৰামবাবুৰ তিনিওটা সন্তানেই প্ৰাৰম্ভিক পৰ্যায়ত ভিলাইত পঢ়া-শুনা কৰি উচ্চ শিক্ষা লাভৰ বাবে বিভিন্ন স্থানলৈ গৈছিল। প্ৰথমজনে এলাহাবাদত শিক্ষা গ্ৰহণ কৰি পিচত মুম্বাইলৈ যায় আৰু বৰ্তমান দিল্লীত বিজ্ঞানী হিচাপে কাম কৰি আছে। দ্বিতীয় সন্তানগৰাকী ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰত কৰ্মৰত অৱস্থাত আছে। তৃতীয়গৰাকীয়ে তেওঁৰ প্ৰয়োজনী শিক্ষা সমাপ্ত কৰি বৈবাহিক সূত্ৰে চুৰাটত বাস কৰে।

এয়া কেৱল ৰামবাবুৰ পৰিয়ালৰ কাহিনীয়েই নহয় সমগ্ৰ বিশ্বতেই এনে গতি সততে দেখা যায়। আবহমান কালৰ পৰাই মানুহে এখন গাঁৱৰ পৰা আনখন গাঁৱলৈ গাঁৱৰ পৰা চহৰলৈ, ক্ষুদ্ৰকায় চহৰৰ পৰা ডাঙৰ চহৰলৈ আৰু এখন দেশৰ পৰা আনখন দেশলৈ গতি কৰি আহিছে।

তোমালোকে প্ৰাৰম্ভিক মানৱ ভূগোল কিতাপখনত জনপ্ৰব্ৰজনৰ ধাৰণা আৰু সূত্ৰ সম্বন্ধে অৱগত হৈ আহিছা। জনপ্ৰব্ৰজনে বিভিন্ন সময়ত আৰু বিভিন্ন ঠাইত জনসংখ্যাৰ পুনৰ বিতৰণত (redistribution) যথেষ্ট অৰিহণা যোগোৱা কাৰক হিচাপে চিনাক্ত কৰা হৈছে। ভাৰতবৰ্ষলৈ বিভিন্ন সময়ত মধ্য, পশ্চিম, এছিয়া আৰু দক্ষিণ-পূব এছিয়াৰ পৰা জনপ্ৰব্ৰজনৰ ঢৌ (waves) প্ৰবাহিত হৈছিল। দৰাচলতে ভাৰতৰ বুৰঞ্জী হ'ল বিভিন্ন সময়ত বিভিন্ন দেশৰ পৰা ভাৰতলৈ প্ৰব্ৰজিত হৈ বসবাস কৰাৰ বুৰঞ্জী। খ্যাতনামা কবি ফিৰাক গোৰাখপুৰীৰ (Firaque Grarkhpuri) ভাষাত ক'বলৈ গ'লে—

'SAR JAMIN E-HIND PAR AQWAN E-ALAM KE FIRAQUE
CARVAN ASTE GAYE. HINDUSTAN BANTA GAYA'

বিভিন্ন দেশৰ পৰা জনপ্ৰব্ৰজনকাৰী আহি ভাৰতত বসতি স্থাপন কৰাৰ ফলতেই ভাৰতবৰ্ষ গঠিত হৈছিল।

সেইদৰে, ভাৰতৰ পৰাও এক বুজন সংখ্যক লোক বিভিন্ন জীৱিকাৰ সন্ধানত মধ্যপ্ৰাচ্য, পশ্চিম ইউৰোপ আমেৰিকা, অষ্ট্ৰেলিয়া আৰু পূব আৰু দক্ষিণ-পূব এছিয়াৰ বিভিন্ন স্থানত বসতি স্থাপন কৰিছে।

**প্ৰবাসী ভাৰতীয় প্ৰকৃত ছবিখন**

ঔপনিবেশিক কালছোৱাত (বৃটিশ শাসনকালত) কেইবা নিযুত দলিলকৃত শ্ৰমিক (indentored labourers) ভাৰতৰ পৰা মৰিচাচ কেৰিবিয়ান দ্বীপপুঞ্জ (ত্ৰিনিদাদ, টবেগ' আৰু গিয়ানা) আৰু ফিজি দ্বীপপুঞ্জ আৰু দক্ষিণ আফ্ৰিকালৈ নিয়া হৈছিল। তদ্ৰূপ ফৰাচী আৰু তাহানিৰ হলেণ্ডৰ লোকসকলে ৰিইউনিয়ন দ্বীপ, গুৱাদেলুপি মাৰ্টিনিক আৰু চুৰিনাম দেশলৈ; পৰ্তুগিজসকলে গোৱা, দমন আৰু দিউৰ পৰা এঙ্গোলা, মোজাম্বিক আদি দেশত নতুনকৈ আৰম্ভ কৰা ৰোপণ কৃষিত বনুৱাৰ আৱশ্যক হোৱাত ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা বিশেষকৈ উত্তৰপ্ৰদেশ, বিহাৰ আৰু ছোটনাগপুৰ মালভূমি অঞ্চল আৰু দাক্ষিণাত্যৰ পৰা এক বুজন পৰিমাণৰ শ্ৰমিক নিয়োজিত কৰিছিল। এই সকলোবোৰ শ্ৰমিকক এক নিৰ্দিষ্ট সময়ৰ বাবে উক্ত অঞ্চলবোৰলৈ নিয়া হৈছিল। ইয়াৰ বাবে এখন দলিল প্ৰস্তুত কৰা হৈছিল যাক 'গিৰমিট আইন' (Girmit Act/Indian Emigration Act) বোলা হৈছিল। এই দলিলকৃত শ্ৰমিকসকল প্ৰবাসী অঞ্চলত 'দাস'/ কৃত দাসৰ অৱস্থাসদৃশ পৰিবেশত জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছিল।

দ্বিতীয় উৎপ্ৰব্ৰজনৰ ঢৌ আৰম্ভ হয় ভাৰতত প্ৰতিবেশী ৰাষ্ট্ৰবোৰ যেনে— থাইলেণ্ড, মালয়েছিয়া, ছিংগাপুৰ, ইন্দোনেছিয়া, ব্ৰুনেই আৰু আফ্ৰিকাৰ দেশবোৰলৈ। বৰ্তমানলৈ এই উৎপ্ৰব্ৰজন প্ৰচলিত। বিভিন্ন প্ৰকাৰৰ বৃত্তি, শিল্পবিদ্যাত নিপুণ ব্যক্তি (বাঢ়ৈ, মিস্ত্ৰি), ব্যৱসায়ী, শিল্পোদ্যোগত কাম কৰা শ্ৰমিক আদিয়ে উন্নত আৰ্থিক লাভালাভৰ কাৰণে উক্ত দেশবোৰলৈ গৈছিল বিগত শতিকাৰ সত্তৰৰ দশকত পশ্চিম এছিয়াৰ অতি লাভজনক বজাৰৰ অৱস্থাৰ (Boom) হেতু ভাৰতবৰ্ষৰ পৰা অৰ্ধকাৰিকৰী আৰু কাৰিকৰী প্ৰশিক্ষণপ্ৰাপ্ত লোক সেইবোৰৰ দেশলৈ প্ৰব্ৰজিত হৈছিল। তেনেদৰে কিছুমান ব্যৱসায়ী আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ স'তে জড়িত লোক পশ্চিম এছিয়াৰ দেশবোৰলৈ ব্যৱসায়ৰ প্ৰচাৰ, প্ৰসাৰ আৰু সেৱাৰ মনোভাৱেৰে গৈছিল।

উৎপ্ৰব্ৰজনৰ তৃতীয় ঢৌৰ অংশীদাৰ আছিল চিকিৎসক, কাৰিকৰী ডিগ্ৰীধাৰী লোক (১৯৬০ৰ পিছত) ছফটৱেৰ ইঞ্জিনীয়াৰ, কৰ্ম তদাৰক, বিত্তীয় পাৰদৰ্শী ব্যক্তি, প্ৰচাৰ মাধ্যমৰ সৈতে জড়িত ব্যক্তি (১৯৮০ৰ পিছত) ইত্যাদি। এইসকলৰ গন্তব্যস্থান আছিল আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটিছ গণৰাজ্য কানাডা, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, জাৰ্মানী ইত্যাদি। উচ্চ শিক্ষিত এই ব্যক্তিসকলৰ উপাৰ্জন অধিক আৰু তেওঁলোকৰ জীৱননিৰ্বাহৰ মান উচ্চখাপৰ। উদাৰীকৰণ নীতি প্ৰৱৰ্তনৰ পিছত বিশেষকৈ নব্বৈ দশকৰ কালছোৱাত ভাৰতৰ পৰা শিক্ষা আৰু জ্ঞানভিত্তিক উৎপ্ৰব্ৰজন অধিক হবলৈ ধৰে। বৰ্তমান পৃথিৱীৰ বিভিন্ন প্ৰান্তত এনেধৰণৰ ভাৰতীয় প্ৰবাসীৰ সংখ্যা অধিক। এই সকলোবোৰ দেশৰ উন্নয়নত ভাৰতীয় প্ৰবাসীসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

## প্ৰব্ৰজন

তোমালোকে ভাৰতৰ লোকপিয়ল বিষয়ে নিশ্চয় অৱগত। ইয়াত প্ৰব্ৰজনৰ বিষয়ে তথ্য সন্নিৱিষ্ট কৰা হয়। ১৮৮১ চনত ভাৰতত আৰম্ভ হোৱা পিয়লৰ পৰাই প্ৰব্ৰজনৰ বিষয়ে তথ্যসম্বলিত কৰি অহা হৈছে। জন্মস্থানৰ ভিত্তিত এই তথ্যবোৰ উলিওৱা হৈছিল। যেই হওক, ১৯৬১ চনত প্ৰথম সংশোধন আনি অতিৰিক্ত উপাদান (component) সন্নিৱিষ্ট কৰি জন্মৰ স্থানৰ লগতে গ্ৰাম্য নে নগৰীয়া আৰু বসবাস কৰাৰ সময়ৰ দৈৰ্ঘ্য আদিৰ বিষয়ে তথ্য সংগ্ৰহ কৰা হৈছিল। ১৯৭১ চনত আকৌ অতিৰিক্তভাৱে বিগত কালছোৱাত বাস কৰা সময় আৰু বৰ্তমান স্থানত বসবাস কৰা সময়ৰ দৈৰ্ঘ্য আদি পিয়লত অন্তৰ্ভুক্ত কৰা হৈছিল। ১৯৮১ চনৰ লোক পিয়লত প্ৰব্ৰজনৰ কাৰণ অতিৰিক্তভাৱে সন্নিৱিষ্ট কৰা হৈছিল।

লোক পিয়লত নিম্ন উল্লিখিত প্ৰশ্নবোৰৰ অৱতাৰণা কৰা হয়।


- ব্যক্তিগৰাকী জন্ম গাঁৱত নে চহৰত? যদি উত্তৰ ঋণাত্মক হয় তেন্তে জন্মস্থানৰ গ্ৰাম্য/ নগৰ আদিৰ মৰ্যাদা (status), জিলা, প্ৰদেশ আদিৰ নাম আৰু যদি ভাৰতৰ বাহিৰত (বিদেশত) জন্ম তেন্তে জন্ম হোৱা দেশৰ নাম ইত্যাদি।
- ব্যক্তিগৰাকী অন্য ঠাইৰ পৰা আহি বৰ্তমানৰ গাঁও বা নগৰত বাস কৰিছেহি নেকি? যদি উত্তৰ ধনাত্মক হয় তেন্তে পূৰ্বৰ জন্মস্থানৰ মৰ্যাদা, জিলা, প্ৰদেশ আৰু কোন বহিঃৰাষ্ট্ৰত (বিদেশ) জন্ম হৈছিল? তাত কিমান কাল (period) আছিল আৰু কি কাৰণত বৰ্তমান ঠাইলৈ প্ৰব্ৰজন কৰিছিল ইত্যাদি প্ৰশ্নৰ অৱতাৰণা কৰি লিপিবদ্ধ কৰা হয়।

ভাৰতীয় লোকপিয়লত প্ৰব্ৰজন দুটা ভিত্তিত গণনা কৰা হয়। (i) জন্ম স্থান, যদি জন্মৰ স্থান বৰ্তমান থকা ঠাইতকৈ অন্য ঠাইত আছিল (জীৱনজোৰা প্ৰব্ৰজন), (ii) বাসস্থান, যদি বিগত বাসস্থান বৰ্তমানৰ পিয়লৰ সময়ত থকা বাসস্থানতকৈ বেলেগ/ অনা ঠাইত আছিল (বাসস্থানৰ ভিত্তিত প্ৰব্ৰজক)। তুমি অনুমান কৰিব পাৰিবানে ভাৰতত প্ৰব্ৰজকৰ সংখ্যা কিমান? ২০০১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ মুঠ জনসংখ্যা ১,০২৯ নিযুত। ইয়াৰ প্ৰায় ৩০৭ নিযুত (৩০ শতাংশ) জন্মস্থান অনুসৰি প্ৰব্ৰজনকাৰী। যাহওক এই তথ্য বিগত বাসস্থান অনুসৰি ৩১৫ নিযুত (৩১ শতাংশ) আছিল।

## ক্ৰিয়াকলাপ

প্ৰব্ৰজনৰ মৰ্যাদাৰ বিষয়ে জানিবলৈ তোমাৰ প্ৰতিবেশী পাঁচ ঘৰৰ এটা সমীক্ষা চলোৱা। যদি প্ৰব্ৰজনকাৰী তেন্তে পাঠ্যপুথিত দিয়া লক্ষণ দুটাৰ ভিত্তিত বৰ্গীকৰণ কৰা।


## প্ৰব্ৰজনৰ সোঁত (Stream of migration)



চিত্ৰ-২.১ ক ঃ আন্তঃদেশীয় প্ৰব্ৰজন,
উৎস ঃ ভাৰতৰ লোকপিয়ল, ২০০১

আন্তঃদেশীয় (দেশৰ ভিতৰত) আৰু আন্তৰ্জাতিক (এখন দেশৰ পৰা আন এখন দেশলৈ নাইবা বিদেশী ৰাষ্ট্ৰৰ পৰা ইখন দেশলৈ) প্ৰব্ৰজনৰ কেইটামান তথ্য ইয়াত দিয়া হ'ল।

আন্তঃৰাজ্যিক প্ৰব্ৰজনৰ চাৰিটা প্ৰধান সোঁত চিনাক্ত কৰা হৈছে। সেইদৰে হ'ল— (ক) গ্ৰাম্যৰ পৰা গ্ৰামাঞ্চললৈ (R-R), (খ) গ্ৰাম্যৰ পৰা নগৰলৈ (R-U), (গ) নগৰৰ পৰা নগৰলৈ (U-U) আৰু (ঘ) নগৰৰ পৰা গাঁৱলৈ (U-R)। ২০০১ চনৰ তথ্য অনুযায়ী ভাৰতৰ ৩১৫ নিযুত প্ৰব্ৰজনকাৰীৰ ভিতৰত ৯৮ নিযুত লোকেই বিগত ১০ বছৰৰ ভিতৰত প্ৰব্ৰজন কৰিছে। (বাসস্থান সলনি কৰিছে)। ইয়াৰ ভিতৰত ৮১ নিযুত লোকেই দেশখনৰ ভিতৰত বসতি সলনি কৰাৰ তথ্য লিপিবদ্ধ কৰা হৈছে। ইয়াৰ ভিতৰত সৰহসংখ্যকেই আছিল মহিলা প্ৰব্ৰজনকাৰী আৰু বিবাহজনিত কাৰণেই তেওঁলোকৰ বাসস্থান সলনি কৰিবলগীয়া হৈছিল।



চিত্ৰ-২.১ খ ঃ আন্তৰ্জাতিক প্ৰব্ৰজন ২০০১

আন্তঃৰাজ্যিক আৰু আন্তৰ্জাতিক মহিলা আৰু পুৰুষৰ প্ৰব্ৰজনৰ বিতৰণ চিত্ৰ-২.১ক আৰু ২.১খ তথ্যচিত্ৰত দেখুওৱা হৈছে। চিত্ৰ দুখন লক্ষ্য কৰিলে দেখা যায় যে হ্ৰস্ব দূৰত্বৰ প্ৰব্ৰজনৰ ক্ষেত্ৰত (আন্তঃৰাজ্যিক আৰু আন্তৰ্জাতিক) মহিলাৰ আধিক্য স্পষ্ট।

• আনহাতে, গ্ৰাম্যৰ পৰা নগৰলৈ হোৱা প্ৰব্ৰজনৰ ক্ষেত্ৰত পুৰুষৰ আধিপত্য বিৰাজমান। অৰ্থনৈতিক কাৰকেই ইয়াৰ প্ৰধান কাৰণ হিচাপে চিহ্নিত হৈছে।

ইয়াৰ বাহিৰেও ভাৰতলৈ আৰু ভাৰতৰ পৰা চুবুৰীয়া ৰাষ্ট্ৰবোৰলৈ (আপ্ৰব্ৰজন-উৎপ্ৰব্ৰজন) বিশেষভাৱে মন কৰিবলগীয়া। তালিকা নং-২ত বিদেশী ৰাষ্ট্ৰৰ পৰা ভাৰতলৈ হোৱা প্ৰব্ৰজনৰ তথ্য দিয়া হৈছে। ২০০১ চনৰ লোকপিয়লৰ তথ্য অনুযায়ী ৫ নিযুতকৈ অধিক লোক অন্য দেশৰ পৰা ভাৰতলৈ প্ৰব্ৰজন ঘটিছে। ইয়াৰ ভিতৰত ৯৬ শতাংশই চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা আহিছে। বাংলাদেশৰ পৰা ৩.০ নিযুত, পাকিস্তানৰ পৰা ০.৯ নিযুত আৰু নেপালৰ পৰা ০.৫ নিযুত) লোক ভাৰতত প্ৰৱেশ কৰিছে। ইয়াৰ ভিতৰত প্ৰায় ০.১৬ নিযুত লোক তিব্বত, শ্ৰীলংকা, বাংলাদেশ, পাকিস্তান, আৰু আফগানিস্থান, ইৰান, আৰু ম্যানমাৰৰ পৰা শৰণাৰ্থী হিচাপে ভাৰতত প্ৰৱেশ কৰিছে। আনহাতে ভাৰতবৰ্ষৰ পৰা উৎপ্ৰব্ৰজন ঘটি প্ৰায় ২০ নিযুত লোক ১১০ খন বিদেশী ৰাষ্ট্ৰত প্ৰবাসী হিচাপে বসবাস কৰাৰ তথ্য পোৱা গৈছে।

### ক্ৰিয়াকলাপ

চিত্ৰ-২.১ক আৰু ২.১খৰ আধাৰত নিম্নোল্লেখিত প্ৰশ্নৰ আলোচনা কৰা—

(i) দুয়োটা চিত্ৰত গ্ৰাম্যৰ পৰা গ্ৰাম্যলৈ মহিলাৰ প্ৰব্ৰজন অধিক কিয়?

(ii) গ্ৰামাঞ্চলৰ পৰা নগৰলৈ পুৰুষৰ প্ৰব্ৰজন অধিক কিয়?

### ক্ৰিয়াকলাপ

তালিকা-২.১ত দিয়া তথ্যবোৰ পাই চিত্ৰত প্ৰকাশ কৰা। আপ্ৰব্ৰজনৰ ৪৯,১৮,২৬৬ জনসংখ্যা ১০০ শতাংশ হিচাপে ধৰি ল'বা।

## জনপ্ৰব্ৰজনৰ স্থানিক বৈষম্য

মহাৰাষ্ট্ৰ, দিল্লী, গুজৰাট, হাৰিয়ানা আদি দেশলৈ উত্তৰপ্ৰদেশ, বিহাৰ আদিৰ পৰা যথেষ্টসংখ্যক লোকৰ প্ৰব্ৰজন হয় (পৰিশিষ্ট-vii দ্ৰষ্টব্য)। জনপ্ৰব্ৰজনৰ ক্ষেত্ৰত মহাৰাষ্ট্ৰৰ স্থান শীৰ্ষত। এই দেশলৈ আপ্ৰব্ৰজনত সংখ্যা প্ৰায় ২.৩ নিযুত। মহাৰাষ্ট্ৰৰ পিচতেই দিল্লী, গুজৰাট আৰু হাৰিয়ানাৰ স্থান। আনহাতে উত্তৰ প্ৰদেশ (-২.৬ নিযুত) আৰু বিহাৰ (-১.৭ নিযুত) উৎপ্ৰব্ৰজন সংখ্যাৰে ভাৰতৰ দেশসমূহৰ ভিতৰত ক্ৰমে প্ৰথম আৰু দ্বিতীয় স্থানত আছে।


নগৰপুঞ্জসমূহৰ ভিতৰত মুম্বাইলৈ সৰ্বাধিক লোক প্ৰব্ৰজিত হৈছে। মুম্বাইলৈ অন্ত আন্তঃৰাজ্যিক প্ৰব্ৰজনকাৰীৰ সংখ্যাই অধিক। প্ৰব্ৰজনৰ এনে পাৰ্থক্যৰ মূল কাৰণ হ'ল ৰাজ্যখনৰ বৃহৎ আকাৰ য'ত নগৰপুঞ্জবোৰ অৱস্থিত।

তালিকা-২.১ ঃ বিগত বসতিস্থানৰ আধাৰত প্ৰতিবেশী ৰাষ্ট্ৰৰ পৰা ভাৰতলৈ হোৱা প্ৰব্ৰজন (২০০১)

| ৰাষ্ট্ৰ | প্ৰব্ৰজনকাৰী সংখ্যা | শতকৰা হিচাপত |
|---|---|---|
| মুঠ আন্তৰ্জাতিক প্ৰব্ৰজন | ৫১,৫৫,৪২৩ | ১০০ |
| প্ৰতিবেশী ৰাষ্ট্ৰৰ পৰা হোৱা প্ৰব্ৰজন | ৪৯,১৮,২৬৬ | ৯৫.৫ |
| আফগানিস্থান | ৯,১৯৪ | ০.২ |
| বাংলাদেশ | ৩,০৮৪,৮২৬ | ৫৯.৮ |
| ভূটান | ৮,৩৩৭ | ০.২ |
| চীন | ২৩,৭২১ | ০.৫ |
| ম্যানমাৰ | ৪৯,০৮৬ | ১.০ |
| নেপাল | ৫,৯৬,৬৯৬ | ১১.৬ |
| পাকিস্তান | ৯,৯৭,১০৬ | ১৯.৩ |
| শ্ৰীলংকা | ১,৪৯,৩০০ | ২.৯ |

উৎস ঃ ভাৰতৰ লোকপিয়ল ২০০১

Dailyassam.com




### ক্ৰিয়াকলাপ

পৰিশিষ্ট (vii) ত ৰাজ্যিক ভিত্তিত আপ্ৰব্ৰজন আৰু উৎপ্ৰব্ৰজনৰ তথ্য দিয়া হৈছে। তথ্যৰ আধাৰত ভাৰতৰ প্ৰকৃত প্ৰব্ৰজন হিচাপ কৰা।


Dailyassam.com

## প্ৰব্ৰজনৰ কাৰণ

জন্মস্থানৰ প্ৰতি মানুহৰ এক আৱেগিক আকৰ্ষণ থাকে। কিন্তু বিভিন্ন কাৰণত অসংখ্য মানুহে জন্মস্থান আৰু বসতিস্থান ত্যাগ কৰিবলগীয়া হয়। ইয়াৰ প্ৰধান কাৰণবোৰ, বহলভিত্তিত দুটা ভাগত ভগাব পাৰি—

(i) আকৰ্ষক কাৰক (Pull factors) আৰু (ii) বিকৰ্ষক কাৰক (Push factor)। আকৰ্ষক কাৰকবোৰে বিভিন্ন ঠাইৰ পৰা মানুহক আকৰ্ষণ কৰে আনহাতে বিকৰ্ষক কাৰকবোৰে মানুহক সেই ঠাই ত্যাগ কৰি অন্য ঠাইলৈ যোৱাত সহায় কৰে।

ভাৰতবৰ্ষত মানুহে গ্ৰামাঞ্চলৰ পৰা নগৰীয়া অঞ্চললৈ প্ৰব্ৰজন কৰাৰ মূলতে হ'ল দৰিদ্ৰতা, ভূমিৰ ওপৰত বৰ্ধিত জনসংখ্যাৰ অধিক চাপ, আন্তঃগাঁথনিৰ অভাৱ— যেনে স্বাস্থ্য সেৱা, শিক্ষা ইত্যাদি। তদুপৰি প্ৰাকৃতিক দুৰ্যোগ— যেনে বানপানী, খৰাং বতৰ, ঘূৰ্ণী বতাহ, ভূমিকম্প, ছুনামি, যুদ্ধ-বিগ্ৰহ, স্থানীয় কন্দল ইত্যাদিয়ে মানুহক ঠাইখন ত্যাগ কৰিবলৈ বাধ্য কৰায়।



**Activity**

The four stories describe different situations of migrants.

Enumerate the push and pull factors for Aant?

What are the pull factors for Mohan Singh?

Study the story of Subbalakshmi and Manish Gawarkar. Compare their cases on the basis of types of migration, causes of migration and their living conditions.

### ক্ৰিয়াকলাপ

ওপৰৰ ছবিত চাৰিটা গল্পৰ মাজেৰে চাৰিধৰণৰ প্ৰব্ৰজনৰ কথা উনুকিওৱা হৈছে।

আবিন্দৰ ক্ষেত্ৰত আকৰ্ষক আৰু বিকৰ্ষক কাৰকবোৰ গণনা কৰা।

মোহন সিঙৰ আকৰ্ষক শক্তি কোনেবোৰ?

সুভলক্ষ্মী আৰু মণিষ গোৱাৰকাৰৰ কাহিনীটো অধ্যয়ন কৰা। তেওঁলোকৰ প্ৰব্ৰজনৰ ধৰণ, কাৰণ আৰু বসবাসৰ অৱস্থাৰ ভিত্তিত প্ৰত্যেকৰেই তুলনা কৰা।

আনহাতে কিছুমান আকৰ্ষক কাৰকে গ্ৰাম্য অঞ্চলৰ পৰা নগৰীয়া অঞ্চললৈ প্ৰব্ৰজন ঘটায়। সেইবোৰৰ ভিতৰত নগৰত উপলব্ধ উন্নতৰ সুবিধা, নিয়মিত কাম কৰাৰ সুযোগ আৰু তুলনামূলকভাৱে উচ্চ হাৰৰ মজুৰি ইত্যাদি। শিক্ষা, স্বাস্থ্য সেৱা, মনোৰঞ্জনৰ সুবিধা আদি আকৰ্ষক কাৰকৰ ভিতৰত অন্যতম।

চিত্ৰ-২.২ দিয়া তথ্যৰ ভিত্তিত মহিলা আৰু পুৰুষৰ ক্ষেত্ৰত সুকীয়াকৈ প্ৰব্ৰজনৰ কাৰণ পৰীক্ষা কৰা। তথ্যৰ পৰা এইটো প্ৰমাণিত হৈছে যে মহিলা আৰু পুৰুষৰ প্ৰব্ৰজনৰ কাৰণ বেলেগ। উদাহৰণস্বৰূপে পুৰুষৰ ক্ষেত্ৰত কৰ্মী (work) আৰু নিয়োজন (employment) নগৰলৈ প্ৰব্ৰজনৰ (৩৮ শতাংশ) মূল কাৰণ, কিন্তু এইক্ষেত্ৰত মহিলাৰ হাৰ হ'ল মাত্ৰ এশ শতাংশ। ইয়াৰ বিপৰীতে বৈবাহিক সূত্ৰে পিতৃগৃহৰ পৰা প্ৰব্ৰজন হোৱা মহিলাৰ সংখ্যা হ'ল ৬৫ শতাংশ। মেঘালয়ৰ বাদে ভাৰতৰ সকলোবোৰ ৰাজ্যৰ গ্ৰামাঞ্চলত বৈবাহিক সূত্ৰে প্ৰব্ৰজন হোৱা মহিলাৰ সংখ্যাই অধিক। মেঘালয়ত বৈবাহিক সূত্ৰে মহিলাৰ প্ৰব্ৰজনৰ হাৰ মাত্ৰ ২ শতাংশ।

মেঘালয়ৰ ক্ষেত্ৰত বৈবাহিক সূত্ৰে হোৱা মহিলাৰ প্ৰব্ৰজন আইন সুকীয়া হোৱাৰ কাৰণ কি?

## প্ৰব্ৰজনৰ পৰিণাম

বিভিন্নধৰণৰ সুবিধাৰ অসমান বিতৰণেই হ'ল জনপ্ৰব্ৰজনৰ সঁহাৰি। মানুহে সাধাৰণতে নিম্ন সুবিধাযুক্ত স্থানৰ পৰা উচ্চ সুবিধাযুক্ত আৰু সুৰক্ষিত স্থানলৈ ধাৱমান হয়। ফলত প্ৰব্ৰজিত হোৱা স্থান উপকৃত হয় আৰু প্ৰব্ৰজন হোৱা স্থানত সমস্যাই দেখা দিয়ে। পৰিণামবোৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু জনসাংখ্যিক এই সকলোবোৰ দিশতেই পৰিলক্ষিত হয়।

## অৰ্থনৈতিক পৰিণাম

প্ৰব্ৰজিত লোকসকলে উৎস স্থানলৈ উপাৰ্জিত ধন পঠিয়াই দিয়ে। আন্তৰ্জাতিক প্ৰব্ৰজিত হোৱা লোকে পঠিওৱা ধন বিদেশী মুদ্ৰাৰ উৎস। ২০০২ চনত ভাৰতবৰ্ষই আন্তৰ্জাতিক প্ৰব্ৰজকৰ পৰা পোৱা ধনৰ পৰিমাণ হ'ল US$ ১১ বিলিয়ন। পঞ্জাব, তামিলনাডু আৰু কেৰালাই আন্তৰ্জাতিক প্ৰব্ৰজনৰ পৰা পোৱা ধনৰ পৰিমাণ বিশেষ মন কৰিবলগীয়া। আন্তৰ্জাতিক মুদ্ৰাৰ তুলনাত দেশীয় মুদ্ৰাৰ পৰিমাণ উৎস স্থানত তাকৰীয়া যদিও ই আঞ্চলিক অৰ্থনৈতিক উন্নয়নৰ দিশত যথেষ্ট অৰিহণা যোগায়। প্ৰব্ৰজনকাৰীয়ে পঠিওৱা বৈদেশিক মুদ্ৰা খৰচ কৰা শিতানবোৰ হ'ল আহাৰ, ঋণ পৰিশোধ, চিকিৎসা ব্যয়, বিবাহ, সন্তানৰ শিক্ষা, গৃহ নিৰ্মাণ, কৃষি খণ্ডত বিনিয়োগ ইত্যাদি। বিহাৰ, উত্তৰপ্ৰদেশ, উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ, হিমাচল প্ৰদেশ আদিত এনেদৰে পঠিওৱা বৈদেশিক মুদ্ৰাই ৰাজ্যকেইখনৰ দৰিদ্ৰ জনগণৰ অৰ্থনৈতিক উন্নয়নত যথেষ্ট অৰিহণা যোগাইছে। উত্তৰ প্ৰদেশৰ পশ্চিমাংশত সেউজ বিপ্লৱৰ সাফল্যৰ অন্যতম কাৰক হ'ল প্ৰবাসীয়ে পঠিওৱা বৈদেশিক মুদ্ৰাৰ বিনিয়োগ। তদুপৰি অনিয়ন্ত্ৰিত প্ৰব্ৰজনে নগৰসমূহত অত্যধিক জনসংখ্যাৰ সৃষ্টি কৰি বহুতো সমস্যাৰ সৃষ্টি কৰিছে। ঔদ্যোগিক নগৰবোৰত বস্তি অঞ্চলৰ (slum area) সৃষ্টি হৈ জনজীৱন দুৰ্বিসহ কৰি তুলিছে। মহাৰাষ্ট্ৰ, গুজৰাট, কৰ্ণাটক, দিল্লী আদিত নগৰীয়া অঞ্চললৈ হোৱা প্ৰব্ৰজনে জীৱন নিৰ্বাহৰ ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ বিস্তাৰ কৰিছে।

| জনপ্ৰব্ৰজনৰ বাবে হোৱা কিছুমান ইতিবাচক আৰু নেতিবাচক পৰিণাম কেইটামান উল্লেখ কৰা |
|---|

## জনসাংখ্যিক দৃশ্যপট পৰিবৰ্তন

জনপ্ৰব্ৰজনে এখন দেশৰ জনসংখ্যাৰ পুনৰ বিতৰণৰ (redistribution) ক্ষেত্ৰত সহায় কৰে। গ্ৰাম্য-নগৰীয়া প্ৰব্ৰজনে নগৰীয়া অঞ্চলত জনসংখ্যা বৃদ্ধি কৰে। নিৰ্দিষ্ট বয়স আৰু কৌশলী ব্যক্তিৰ প্ৰব্ৰজনে গ্ৰামাঞ্চলত জনসংখ্যাৰ সংৰচনাত (Age structure) প্ৰভাৱ বিস্তাৰ কৰে। উত্তৰাঞ্চল, ৰাজস্থান, মধ্যপ্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ পূব অঞ্চলৰ পৰা হোৱা উৎপ্ৰব্ৰজনে (out migration) দিশকেইখনৰ জনসংখ্যাৰ বয়স আৰু লিংগ গঠনত ভাৰসাম্যতাত বিশেষ প্ৰভাৱান্বিত কৰিছে। প্ৰব্ৰজন হোৱা দেশবোৰতো এই প্ৰভাৱ বাৰুকৈ দেখা যায়। প্ৰব্ৰজনকাৰীৰ উৎস আৰু গন্তব্যস্থানত হোৱা বয়স আৰু লিংগৰ ভাৰসাম্যহীনতাৰ কাৰণ কি বাৰু?

## সামাজিক পৰিণতি

প্ৰব্ৰজকসকলে সমাজ পৰিবৰ্তনৰ কাৰক হিচাপে কাম কৰে। নতুন প্ৰযুক্তি আৰু চিন্তাধাৰা, পৰিয়াল পৰিকল্পনা, নাৰী শিক্ষা আদি নগৰীয়া অঞ্চলৰ পৰা গ্ৰাম্য অঞ্চললৈ প্ৰসাৰিত হয়। প্ৰব্ৰজনৰ ফলত বিভিন্ন জাতি, জনগোষ্ঠীৰ সাংস্কৃতিক মিলন হয়। ইয়াৰ সুপ্ৰভাৱ হ'ল সমন্বিত সংস্কৃতিৰ বিকাশ, সংকীৰ্ণ মানসিকতাৰ পতন আৰু বহল ভিত্তিত তথা সকলোৰে সৈতে বিভিন্ন পৰিস্থিতিত মিলা-প্ৰীতি কৰিব পৰাৰ মানসিকতাৰ উদ্ভৱ। প্ৰব্ৰজনৰ কুপ্ৰভাৱ হ'ল প্ৰব্ৰজিত স্থানত আত্মপৰিচয়বিহীন হৈ সামাজিক শূন্যতাৰ সৃষ্টি হ'ব পাৰে আৰু ব্যক্তিৰ ক্ষেত্ৰত হীনমান্যতাত ভোগাৰ আশংকাত থাকে। অবিৰাম হীনমন্যতাত ভোগা লোকে অসামাজিক বৃত্তি যেনে অপৰাধ আৰু মাদকদ্ৰব্য সেৱনৰ প্ৰতি আকৃষ্ট হৈ সমাজৰ শান্তি-শৃংখলা ব্যাহত কৰিব পাৰে।

## পাৰিবেশিক পৰিণাম

অত্যধিক জনপ্ৰব্ৰজনে নগৰীয়া অঞ্চলত উপলব্ধ সামাজিক আৰু অন্যান্য আন্তঃগাঁথনিত অধিক চাপৰ সৃষ্টি কৰে। ফলত নগৰীয়া অঞ্চলত অপৰিকল্পিত বাসস্থান আৰু বিস্তৃত বস্তি অঞ্চল গঢ়ি উঠে।

তদুপৰি, প্ৰাকৃতিক সম্পদৰ অত্যধিক ব্যৱহাৰৰ বাবে নগৰবোৰত ভূমিগত জলৰ নাটনি, বায়ু প্ৰদূষণ আৰু জাবৰ-জোঁথৰ নিষ্কাশনৰ সমস্যা আদিয়ে বিৰূপ ধাৰণ কৰিছে।

## অন্যান্য পৰিণাম

জনপ্ৰব্ৰজনে (বৈবাহিক সূত্ৰে হোৱাৰ বাবে) মহিলাৰ মৰ্যাদা হ্ৰাস কৰে। গ্ৰাম্য অঞ্চলৰ পৰা বিবাহিত পুৰুষৰ প্ৰব্ৰজনে মহিলাৰ শাৰীৰিক আৰু মানসিক চাপ বৃদ্ধি কৰে। শিক্ষা নাইবা নিয়োগৰ সুবিধাৰ বাবে হোৱা মহিলাৰ প্ৰব্ৰজনে স্বকীয়তা (autonomy) আৰু অৰ্থনীতিত বিশেষ প্ৰভাৱ বিস্তাৰ কৰে আৰু তেওঁলোকৰ vulnerability বঢ়ায়।

প্ৰব্ৰজিত লোকসকলে তেওঁলোকৰ উপাৰ্জিত ধনৰাশিৰে উন্নয়নমূলক কাম-কাজত খৰচ কৰিলেও কৌশলী মানৱ সম্পদৰ বহিৰ্গমনে দেশৰ ক্ষতি কৰে। কাৰিকৰী কৌশলী মানৱ সম্পদ কিছুমান উন্নয়নশীল দেশে সৃষ্টি কৰে যদিও শিল্পৰ ক্ষেত্ৰত অগ্ৰণী উন্নত দেশবোৰে এনে সম্পদৰ নিয়োজন বিভিন্ন প্ৰলোভনেৰে কৰি দুখীয়া দেশবোৰৰ পৰা মানৱ সম্পদ নি অৰ্থনৈতিকভাৱে লাভৱান হয়। আনহাতে প্ৰব্ৰজিত অঞ্চলবোৰত পুনৰ তেনে কৌশলী কাৰিকৰী লোকৰ সৃষ্টি হৈ থাকে।

## অনুশীলনী

১। শুদ্ধ উত্তৰটো বাচি উলিওৱা—

i) ভাৰতবৰ্ষৰ পুৰুষ প্ৰব্ৰজনৰ প্ৰধান কাৰণ কোনটো?

(ক) শিক্ষা (গ) কৰ্ম আৰু নিয়োজন

(খ) ব্যৱসায়-বাণিজ্য (ঘ) বিবাহ

ii) আপ্ৰব্ৰজন অধিক হোৱা ৰাজ্য কোনখন?

(ক) উত্তৰপ্ৰদেশ (গ) মহাৰাষ্ট্ৰ

(খ) দিল্লী (ঘ) বিহাৰ

iii) তলত উল্লেখ কৰা কোনটো প্ৰব্ৰজনৰ সোঁত পুৰুষ প্ৰধান?

(ক) গ্ৰাম্যৰ পৰা গ্ৰাম্যলৈ (গ) গাঁৱৰ নগৰলৈ

(খ) নগৰৰ পৰা গাঁৱলৈ (ঘ) নগৰৰ পৰা নগৰলৈ

iv) তলৰ কোনটো নগৰপুঞ্জত অধিকাংশ প্ৰব্ৰজিত জনসংখ্যা আছে?

(ক) মুম্বাই নগৰপুঞ্জ (গ) বাংগালোৰ

(খ) দিল্লী (ঘ) চেন্নাই

২। তলত দিয়া প্ৰশ্নবোৰ ৩০টামান শব্দৰ ভিতৰত উত্তৰ লিখা—

i) জীৱনজুৰি হোৱা প্ৰব্ৰজন আৰু বিগত বাসস্থানৰ ভিত্তিত হোৱা প্ৰব্ৰজনৰ মাজত পাৰ্থক্য লিখা।

ii) পুৰুষ/মহিলাৰ নিৰ্বাচিত প্ৰব্ৰজনৰ মূল কাৰণ কি?

iii) বয়স আৰু লিংগৰ সংৰচনাৰ ওপৰত গ্ৰাম্য-নগৰীয়া প্ৰব্ৰজনে উৎস আৰু গন্তব্যস্থলত কেনে প্ৰভাৱ বিস্তাৰ কৰিছে?

৩। ১৫০টামান শব্দৰ ভিতৰত উত্তৰ লিখা—

i) আন্তৰ্জাতিক প্ৰব্ৰজনৰ ফলত ভাৰতত হোৱা পৰিণামবোৰ আলোচনা কৰা।

ii) প্ৰব্ৰজনৰ ফলত হোৱা সামাজিক-জনসাংখ্যিক পৰিণামবোৰ কি?

□□□□□

Dailyassam.com